**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-12-2024 **Time :** 0755 Hrs.

# Assamese Morning Bulletin

ডিব্ৰুগড়ৰ ব্ৰহ্মপুত্ৰ গেষ্ট হাউছত আজি অসম মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হ'ব। তিনিদিনীয়া উজনি অসমৰ ভ্ৰমণসূচীৰে কালি ডিব্ৰুগড়ত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি সন্ধিয়া চাৰে ৬ বজাত অনুষ্ঠিত হ'বলগীয়া বৈঠকখনত বৰ্তমান গুৱাহাটীত থকা মন্ত্ৰীসভাৰ সদস্যসকলে দিছপুৰৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ ল'ব। অনুৰূপ ধৰণে আন জিলা সদৰত থকা মন্ত্ৰীসকলেও ভাৰ্চুৱেল ব্যৱস্থাৰে মন্ত্ৰীসভাৰ বৈঠকত অংশগ্ৰহণ কৰিব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি ভ্ৰমণৰ প্ৰথম দিনা লখিমপুৰ বিধানসভা সমষ্টিত ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে এতিয়াৰে পৰা ৰেচন কাৰ্ড থকা হিতাধিকাৰীয়েহে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিব বুলি ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে আধাৰশিলাও স্থাপন কৰে। তেওঁ ৰঙানদীত পকী দলং আৰু চৰকাৰী আইন মহাবিদ্যালয়ৰ ভৱনটো উদ্বোধন কৰে। তদুপৰি বানত ক্ষতিগ্ৰস্ত ২২ হাজাৰ ৬৩৬ টা পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান কৰে।

এই ভ্ৰমণৰ সময়ছোৱাত মুখ্যমন্ত্ৰীয়ে উজনি অসমৰ জিলাসমূহত চলি থকা বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰিব।

oooooo

ৰাজ্যৰ সামগ্ৰিক বিকাশ তথা জনসাধাৰণৰ জীৱনৰ মান উন্নীত কৰিবলৈ ৰাজ্য চৰকাৰে অহৰহ প্ৰচেষ্টা চলাই আহিছে। বিকাশৰ গতি ত্বৰান্বিত কৰিবলৈ চৰকাৰৰ উদ্যোগত ৰাজ্যজুৰি বিকাশৰ ১২ দিন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে আজি ডিব্ৰুগড় জিলাৰ মানকটা পূজা ফিল্ডত চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত হিতাধিকাৰীসকলৰ মাজত নগদ ধন আৰু সাহায্য বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথিৰূপে উপস্থিত থাকিবলগীয়া এই অনুষ্ঠানত পৰিবহন মন্ত্ৰী যোগেন মহন, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰা, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন আৰু শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালায়ো অংশগ্ৰহণ কৰিব। অনুষ্ঠানত প্ৰজ্ঞান ভাৰতী আঁচনিৰ ডঃ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত দুহেজাৰ ৫৯৩ গৰাকী শিক্ষাৰ্থীক স্কুটী প্ৰদান কৰাৰ লগতে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা এহেজাৰ ২৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীক নগদ ধন প্ৰদান কৰা হ'ব। সেইদৰে মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ১০ হাজাৰ ২৭০ গৰাকী ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কৰা হ'ব।

oooooo

অসম আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে ৰাজ্যখনত চলোৱা তৃতীয়টো বিশেষ অভিযানত গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা ৪৩০ লৈ বৃদ্ধি পোৱাৰ লগতে ৩৪৫ টা গোচৰ ৰুজু কৰা হৈছে। অসম আৰক্ষীৰ বিশেষ সূত্ৰই কালি এই বিষয়ে প্ৰকাশ কৰি কয়, যে শীঘ্ৰে আৰু কেইবাজনো লোকক গ্ৰেপ্তাৰ কৰা হ'ব। এই অভিযানকালত গ্ৰেপ্তাৰ কৰা সকল নাবালিকাৰ সৈতে বিবাহপাশত আবদ্ধ হোৱা পুৰুষ আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্য। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে ৰাজ্যত বাল্য বিবাহ বিৰোধী অভিযান পুনৰ আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। ৰাজ্য চৰকাৰে এই সামাজিক প্ৰথা বন্ধ কৰিবলৈ সাহসী পদক্ষেপ অব্যাহত ৰাখিব বুলিও তেওঁ ঘোষণা কৰে।

ooooooo

পি এম শ্ৰী আঁচনিৰ অধীনত অসমৰ ৩৮২ খন বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১২০ কোটি টকা মুকলি কৰি দিছে। কেন্দ্ৰীয় চৰকাৰে পি এম শ্ৰী আঁচনিৰ অধীনত দেশৰ ১২ হাজাৰ ৮৪ খন বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। শিক্ষা বিভাগৰ এটা সূত্ৰই জানিবলৈ দিয়া মতে দুটা পৰ্যায়ত অসমৰ নিৰ্বাচিত এই ৩৮২ খন বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন সাধন কৰা হ'ব। ইয়াৰ ভিতৰত ২৬৬ খন বিদ্যালয় প্ৰথম পৰ্যায়ত আৰু বাকী ১১৬ খন বিদ্যালয় দ্বিতীয় পৰ্যায়ত আন্তঃগাঁথনি উন্নয়নৰ বাবে বাছনি কৰা হৈছে। এই বিদ্যালয়সমূহৰ ভিতৰত ৮৮ খন নিম্ন প্ৰাথমিক, ৩৩ খন উচ্চ প্ৰাথমিক, ১৩৮ খন মাধ্যমিক আৰু ১২৩ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে। এই আঁচনিৰ অধীনত ৰাজ্যৰ বিদ্যালয়সমূহত বিজ্ঞান লেবৰেটৰী, স্মাৰ্ট ক্লাছ ৰুম, পুথিভঁৰাল, বিদ্যালয়সমূহৰ প্ৰয়োজনীয় আচবাব, খেলপথাৰ নিৰ্মাণ, বিদ্যালয় সেউজীয়াকৰণ, ঔষধী গছৰ পুলি ৰোপণ আদিৰ ব্যৱস্থা কৰা হ'ব।

০০০০০০০

ৰাজ্য চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ সংগ্ৰহালয় সঞ্চালকালয়ে অহা পহিলা জানুৱাৰীত ছাত্ৰ-ছাত্ৰীৰ মাজত সদৌ অসম ভিত্তিত এখন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভাৰতীয় সংস্কৃতি, ঐতিহ্য আৰু সংগ্ৰহালয় বিষয়ক স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এই কুইজ প্ৰতিযোগিতাত আয়োজন কৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে পহিলা জানুৱাৰীৰ পুৱা ১০ বজাত প্ৰতিযোগিতাৰ স্থান অসম ৰাজ্যিক সংগ্ৰহালয়ত শিক্ষানুষ্ঠানৰ পৰিচয় পত্ৰ সহিতে উপস্থিত হ'বলৈ বিভাগটোৱে অনুৰোধ জনাইছে।

০০০০০০০

সমাপ্ত